**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 01-07-2024 **Time :** 1800 Hrs.

***Assamese Evening Bulletin***

**<u>HEADLINES</u>**

১। ৰাজ্যৰ বান পৰিস্থিতি অধিক শোচনীয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ফোনযোগে পৰিস্থিতিৰ পৰ্যালোচনা। ৰাজ্য চৰকাৰৰ উদ্ধাৰ তথা সাহায্য অভিযান অব্যাহত।

২। লোকসভা আৰু ৰাজ্যসভাৰ যৌথ অধিৱেশনত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰ ভাষণ সন্দৰ্ভত ধন্যবাদসূচক প্ৰস্তাৱৰ বিষয়ত আলোচনা।

৩। সমগ্ৰ দেশজুৰি আজি তিনিখন নতুন ফৌজদাৰী আইন বলবৎ।

৪। আকাশবাণী গুৱাহাটীৰ ৭৭ সংখ্যক প্ৰতিষ্ঠা দিবস উদযাপন। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ প্ৰতিষ্ঠানটোৰ সৈতে জড়িতসকলৰ লগতে শ্ৰোতা সমাজলৈ শুভেচ্ছা জ্ঞাপন।

*আৰু*

৫। চেন্নাইত অনুষ্ঠিত মহিলাৰ টেষ্ট ক্ৰিকেট খেলত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে ভাৰতৰ জয়লাভ।

০০০০০০০

বিগত কেইবাদিনো ধৰি হোৱা নেৰানেপেৰা বৰষুণৰ ফলত ৰাজ্যৰ ১২খন জিলাৰ ২লাখ ৬২ হাজাৰৰো অধিক লোক ক্ষতিগ্ৰস্ত হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ফোনযোগে আজি ৰাজ্যৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ পৰা বছৰৰ দ্বিতীয়টো বান সন্দৰ্ভত পৰিস্থিতিৰ বুজ লয়। মুখ্যমন্ত্ৰীগৰাকীয়ে চৰকাৰে ইতিমধ্যে গ্ৰহণ কৰা সাহাৰ্য ব্যৱস্থা তথা উদ্ধাৰ অভিযানৰ বিষয়ে প্ৰধানমন্ত্ৰীগৰাকীক অৱগত কৰে। উল্লেখযোগ্য যে, গোলাঘাট জিলাৰ বোকাখাট ৰাজহচক্ৰৰ ৩১ খন গাঁও বাঢ়নি পানীয়ে প্লাবিত কৰিছে। কাজিৰঙা গাঁও পঞ্চায়তৰ অন্তৰ্গত তামুলি পথাৰত মথাউৰিৰ ওপৰেৰে পানী বাগৰিবলৈ আৰম্ভ কৰাত প্ৰশাসনে গাঁওবাসীক সতৰ্ক কৰি দিছে আৰু  জলসম্পদ বিভাগে মথাউৰিটোত থকা তিনিখন শ্লুইছ গেট মুকলি কৰি দিছে। জিলাখনৰ ডেৰগাঁও, নুমলীগড়, কাজিৰঙা, খুমতাই আদি বিস্তৃৰ্ণ অঞ্চল বানৰ কবলত পৰাত ৰাজ্যিক দুৰ্যোগ প্ৰশমন বিভাগৰ সহযোগত উদ্ধাৰ অভিযান অব্যাহত আছে। গোলাঘাট আৰক্ষী আৰু এছ ডি আৰ এফে বানাক্ৰান্ত লোক তথা জীৱ-জন্তুক উদ্ধাৰ কৰি নিৰাপদ স্থানলৈ অনাৰ বাবে তৎপৰাতে কাম কৰি আছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশনা অনুসৰি আজিৰেপৰা কাৰ্যকৰী হোৱাকৈ নিশাৰ ভাগত ৰাষ্ট্ৰীয় উদ্যানখনৰ মাজেৰে যোৱা ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথেৰে ব্যৱসায়িক গধূৰ বাহন আৰু ব্যক্তিগত যানবাহন চলাচলত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ ক্ষেত্ৰ সঞ্চালকৰ লগতে গোলাঘাট জিলা আয়ুক্তই এই নিষেধাজ্ঞা জাৰি কৰিছে। অৱশ্যে প্ৰয়োজন সাপেক্ষে স্থানীয় যানবাহনৰ ক্ষেত্ৰত ৰেহাই দিয়া হ'ব বুলি নিৰ্দেশনাটোত প্ৰকাশ কৰা হৈছে।

ইপিনে, তিনিচুকীয়া জিলাৰ বান পৰিস্থিতি এতিয়াও অপৰিৱৰ্তীত হৈ আছে। জিলাখনৰ নৈ-উপনৈসমূহৰ জলস্তৰ বৃদ্ধি পোৱাৰ ফলত প্ৰতিদিনে ন ন অঞ্চল প্লাবিত হৈছে। দুৰ্যোগজনিত জৰুৰীকালীন সহায়ৰ বাবে জিলা প্ৰশাসনে ২৪ ঘণ্টাই কাৰ্যক্ষম হৈ থকাকৈ কেইবাটাও দূৰভাষ নম্বৰ মুকলি কৰিছে। বাৰেকৰী আৰক্ষী থানা, গুইজান আৰক্ষী চকী, গুইজান বজাৰ, ৰঙাগৰা, নতুন গাঁও, নলনী বাগিচাৰ উপৰি ডিব্ৰু-চৌখোৱা ৰাষ্ট্ৰীয় উদ্যানো বানৰ কবলত পৰিছে। ৰাজ্যৰ শ্ৰম মন্ত্ৰী সঞ্জয় কিষানে আজি জিলাখনৰ বানাক্ৰান্ত অঞ্চলসমূহ তথা সাহাৰ্য শিবিৰসমূহ পৰিদৰ্শন কৰি ক্ষতিগ্ৰস্ত ৰাইজৰ সৈতে মতবিনিময় কৰে।

উল্লেখযোগ্য যে ডিব্ৰুগড় জিলাত কৃত্ৰিম বানৰ ফলত পৰিস্থিতি শোচনীয় হৈ পৰিছে। ডিব্ৰুগড় পৌৰ নিগমৰ ২২ টা ৱাৰ্ডৰ বহু পৰিয়াল কৃত্ৰিম বানত আৱদ্ধ হৈ পৰিছে। প্ৰতিকূল বতৰৰ প্ৰতি লক্ষ্য ৰাখি তথা তীব্ৰ বৰষুণৰ ফলত হোৱা কৃত্ৰিম বানৰ পৰিপ্ৰেক্ষিতত জিলাখনৰ আয়ুক্তই সকলো বিদ্যালয় পৰৱৰ্তী নিৰ্দেশ নিদিয়া পৰ্যন্ত বন্ধ ৰখাৰ নিৰ্দেশনা জাৰি কৰিছে।

ডিব্ৰুগড়, তিনিচুকীয়া আৰু ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ বান পৰিস্থিতি সন্দৰ্ভত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ সৈতে ফোন যোগে আলোচনা কৰি বানপীড়িতসকলৰ সুবিধাৰ্তে মুখ্যমন্ত্ৰী সাহায্য তথা উদ্ধাৰ অভিযান ত্বৰান্বিত কৰাৰ লগতে ক্ষতিগ্ৰস্ত লোকসকলক সকাহ দিয়াত যথাসম্ভৱ সহায় কৰাৰ আশ্বাস দিয়ে।

ইপিনে ৰাজ্যৰ বান পৰিস্তিতিৰ পৰিপ্ৰেক্ষিতত লখিমপুৰত অনুষ্ঠিত হ'বলগীয়া জিলা আয়ুক্তৰ সন্মিলন স্থগিত ৰখা হৈছে। লগতে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ লখিমপুৰ জিলা ভ্ৰমণৰ কাৰ্যসূচীও অনিৰ্দিষ্ট কাললৈ স্থগিত ৰখা হৈছে। আয়ুক্ত সন্মিলনত অংশ ল'বলৈ যোৱা ডিব্ৰুগড় জিলাৰ অভিভাৱক মন্ত্ৰী ৰণজিৎ কুমাৰ দাস এই উপলক্ষে ডিব্ৰুগড়ত উপস্থিত হৈছে।

যোৰহাট জিলাৰ টীয়ক আৰু পূব যোৰহাট ৰাজহ চক্ৰৰ অন্তৰ্গত জাজীমুখতো বানে জটিল ৰূপ ধাৰণ কৰিছে। বাঢ়নি পানীয়ে ইতিমধ্যে দুয়োটা ৰাজহ চক্ৰৰ অন্তৰ্গত প্ৰায় ২৫খন গাওঁ বুৰাই পেলোৱাৰ লগতে বহু হেক্টৰ কৃষিভূমি প্লাবিত কৰিছে। যোৰহাট লোকসভা সমষ্টিৰ সাংসদ গৌৰৱ গগৈ আজি সমষ্টিটো পৰিদৰ্শন কৰি ক্ষয়-ক্ষতিৰ বুজ লোৱাৰ লগতে জিলা প্ৰশাসনক এই পৰিস্থিতিৰ তাৎক্ষণিক মোকাবিলা কৰাৰ বাবে আহ্বান জনায়।

মাজুলীতো কুৰিখনতকৈও অধিক গাঁও জলমগ্ন হৈ পৰিছে। জিলা প্ৰশাসনে নিমাতি-মাজুলী সংযোগী ফেৰী সেৱা বন্ধ কৰিছে।

শিৱসাগৰ জিলাৰ দিচাং মুখৰ আলিচিগাঁও, অফলা, তিয়বস্ততি আদি গাঁও সম্পূৰ্ণৰূপে জলমগ্ন হৈ পৰাৰ বাতৰিও আমালৈ আহিছে।

আনহাতে, বাক্সা আৰু বৰপেটা জিলাত বেঁকী নদীৰ খহনীয়াই গুৰুতৰ ৰূপ ধাৰণ কৰিছে। কলগাছিয়া ৰাজহ চক্ৰৰ অধীনৰ বলাই পথাৰ গাঁৱৰ কেইবা বিঘা কৃষিভূমি নদীৰ বুকুত জাহ যোৱা বুলি আমাৰ সংবাদাদাতই প্ৰকাশ কৰিছে।

মানস ৰাষ্ট্ৰীয় উদ্যানৰ সমীপৰ চুনবাৰী, এলেঙামাৰি আদি অঞ্চলত খহনীয়াই ভয়ংকৰ ৰূপ ধাৰণ কৰিছে। অঞ্চলটোত জলসম্পদ বিভাগৰ জৰিয়তে যোৱা বছৰ জিঅ' বেগৰ বান্ধ নিৰ্মাণ কৰিছিল যদিও ইয়াৰ ফলত খহনীয়া নিয়ন্ত্ৰণ ৰোধ কৰিব পৰা হোৱা নাই।

০০০০০০

সংসদৰ দুয়োখন সদনে আজি লোকসভা আৰু ৰাজ্যসভাৰ যৌথ অধিৱেশনৰ ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰ ভাষণ সন্দৰ্ভত ধন্যবাদসূচক প্ৰস্তাৱৰ বিষয়ে আলোচনাত মিলিত হয়।

লোকসভাত বিজেপি সাংসদ অনুৰাগ সিং ঠাকুৰে অংশগ্ৰহণ কৰি বিগত ১০ বছৰত জনসাধাৰণৰ কল্যাণ আৰু অৰ্থনীতিৰ ক্ষেত্ৰত ক্ষিপ্ৰতাৰে গ্ৰহণ কৰা পদক্ষেপৰ প্ৰশংসা কৰে। তেওঁ কয় যে ২৫ কোটি জনসাধাৰণক দৰিদ্ৰতাৰ পৰা উত্থান কৰা হৈছে আৰু চৰকাৰে ৮০ কোটি লোকক প্ৰধানমন্ত্ৰী গৰীৱ কল্যাণ যোজনাৰ অধীনত বিনামূলীয়া খাদ্য-শস্যৰ যোগান ধৰিছে। পূৰ্বৰ ইউ পি এ চৰকাৰৰ বিষয়ে উল্লেখ কৰি শ্ৰীঠাকুৰে কয় যে তেওঁলোক ক্ষমতাত থকাৰ সময়ৰ অৰ্থনীতিৰ তুলনাত দেশখন এতিয়া পঞ্চম বৃহত্তম অৰ্থনীতিলৈ ৰূপান্তৰিত হৈছে আৰু অতি সোনকালে তৃতীয় বৃহত্তম অৰ্থনীতিলৈ পৰিণত হ'ব। ইয়াৰ উপৰি তেওঁ ইউ পি এ চৰকাৰৰ কেলেংকাৰী, পুঁজিবাদ আদিৰ বিৰুদ্ধেও অভিযোগ তোলে।

ইয়াৰ পূৰ্বে সদনৰ আলোচনাত অংশগ্ৰহণ কৰি বিৰোধী দলপতি ৰাহুল গান্ধীয়ে NEET পৰীক্ষা, অগ্নিবীৰ আঁচনি, অশান্ত মণিপুৰ, বিমুদ্ৰাকৰণ, মুদ্ৰাস্ফিতীৰ হাৰ বৃদ্ধি, কৃষকৰ সমস্যা আদিৰ লগতে অন্যান্য অনিয়মৰ অভিযোগ উত্থাপন কৰে। তেওঁ অভিযোগ তুলি কয় যে NEET পৰীক্ষা দৰিদ্ৰ শ্ৰেণীৰ লোকৰ বাবে নহয় অৰ্থনৈতিকভাৱে সবল শ্ৰেণীৰ লোকসকলৰ অনুকূলেহে গঢ়ি তোলা হৈছে। তেওঁ কয় যে, NEET পৰীক্ষাৰ অনিয়মৰ বিষয়টোৰ ওপৰত বিৰোধী পক্ষই সদনত সম্পূৰ্ণ এটা দিন আলোচনা হোৱাতো বিচাৰে। অগ্নিবীৰ আঁচনিৰ ওপৰত ভাষণ দি ৰাহুল গান্ধীয়ে অভিযোগ উত্থাপন কৰে যে, অগ্নিবীৰে কৰ্তব্যৰত অৱস্থাত প্ৰাণ হেৰুৱালে শ্বহীদৰ মৰ্যাদা নাপায়। বিৰোধী দলপতিগৰাকীয়ে ন্যূনতম সমৰ্থন মূল্যৰ বিষয়টো সদনত উত্থাপন কৰে আৰু কয় যে, কৃষকে তেওঁলোকৰ উৎপাদিত সামগ্ৰীৰ সঠিক মূল্য লাভ কৰা নাই। ইয়াৰ বিৰুদ্ধে আপত্তি জনাই কৃষিমন্ত্ৰী শিৱৰাজ সিং চৌহানে কয় যে, চৰকাৰে ৫০ শতাংশ উৎপাদন ব্যয় খাদ্য শস্যৰ ওপৰত এম এছ পি প্ৰদান কৰিছে।

ইয়াৰ পূৰ্বে বিজেপি সাংসদ বাঞ্চুৰী স্বৰাজে কয় যে, কৃষকৰ কল্যাণ আৰু মহিলা সৱলীকৰণক চৰকাৰে অগ্ৰাধিকাৰ দিছে। তেওঁ কয় যে, পি এম কিষাণ আঁচনিৰ অধীনত এতিয়ালৈকে কৃষকসকলক ৩ লাখ কোটিৰো অধিক ধন প্ৰদান কৰা হৈছে আৰু খাদ্য শস্যৰ ন্যূনতম সমৰ্থন মূল্য বৃদ্ধি কৰি কৃষকসকলক সকাহ দিয়াৰ ব্যৱস্থা কৰা হৈছে। তেওঁ আৰু কয় যে, খাদ্য সুৰক্ষা নিশ্চিতকৰণৰ বাবে ৮১ কোটি দৰিদ্ৰ লোকক প্ৰধানমন্ত্ৰী গৰীৱ কল্যাণ যোজনাৰ অধীনত বিনামূলীয়াকৈ খাদ্য শস্য প্ৰদান কৰা হৈছে। ইয়াৰ পূৰ্বে নীট বিষয়ক লৈ বিৰোধী পক্ষই সদন ত্যাগ কৰে।

ৰাজ্যসভাত আজি পুৱা অধ্যক্ষ জগদীপ ধনখড়ে বিৰোধী সদস্যসকলে উত্থাপন কৰা স্থগিতকৰণৰ জাননীৰ অনুমতি নাকচ কৰে। পাছত সংসদে সদনৰ যৌথ অধীবেশনত ৰাষ্ট্ৰপতিৰ ভাষণৰ ওপৰত আলোচনা আৰম্ভ কৰে। আলোচনাত অংশগ্ৰহণ কৰি বিৰোধী দলপতি মল্লিকাৰ্জুন খাৰ্গেই কয় যে, ৰাষ্ট্ৰপতিৰ ভাষণত দূৰদৰ্শীতা আৰু ভৱিষ্যৎ লক্ষ্যৰ অভাৱ দেখা গৈছে। তেওঁ অভিযোগ উত্থাপন কৰি কয় যে, দৰিদ্ৰ, পিছপৰা শ্ৰেণী আৰু সংখ্যালঘুসকলৰ উন্নয়নৰ বাবে একো হোৱা নাই। শ্ৰীখাৰ্গেই পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিল হোৱা, ৰে'ল দুৰ্ঘটনা, জম্মু কাশ্মীৰৰ সন্ত্ৰাসবাদী আক্ৰমণ আদি বিষয়ো সদনত উত্থাপন কৰে। শ্ৰীখাৰ্গেই তেওঁৰ ভাষণত ৰে'ল বিভাগত খালী হৈ থকা ৩ লাখৰো অধিক খালী পদ শীঘ্ৰেই পূৰণ কৰিব লাগে বুলি উল্লেখ কৰে। প্ৰত্যুত্তৰ ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে যোৱা ১০ বছৰত ৫ লাখৰো অধিক লোকে ৰে'ল বিভাগত চাকৰি পাইছে আৰু যিটো পূৰ্বৰ ইউ পি এ চৰকাৰৰ তুলনাত বহু বেছি। অসমৰ সাংসদ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্য আজি ৰাজ্যসভাত কয় যে, নৰেন্দ্ৰ মোদীৰ নেতৃত্বত বৰ্তমান আমাৰ অৰ্থনৈতিক অৱস্থা যথেষ্ট স্থিৰ হৈছে। যোৱা ১০ বছৰ উত্তৰ-পূৰ্বাঞ্চলৰ বাবে অৰ্থনৈতিক উন্নয়নৰ সোণালী সময় বুলিও তেওঁ উল্লেখ কৰে।

আলোচনাত অংশগ্ৰহণ কৰি টি এম চিৰ সাংসদ জোৱাহৰ ছিৰকাৰে অভিযোগ তোলে যে, কেন্দ্ৰীয় আঁচনিৰ বাবে ব্যৱহাৰ কৰিবলৈ পশ্চিমবংগৰ এক লাখ ২৩ হাজাৰ কোটি টকা বন্ধ কৰি দিছে। ৱাই এছ আৰ কংগ্ৰেছৰ সদস্য মেদা ৰঘূনাধা ৰেড্ডীয়ে কয় যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত অৰ্থনৈতিক আৰু ৰাজনৈতিক ক্ষেত্ৰখনত দেশৰ আন্তঃৰাষ্ট্ৰীয় মৰ্যাদা বৃদ্ধি পাইছে। আপৰ নেতা সঞ্জয় সিঙে অভিযোগ উত্থাপন কৰি কয় যে, বিৰোধী নেতাসকলক প্ৰমাণ অবিহনে জে'ললৈ প্ৰেৰণ কৰা হৈছে। নীট পৰীক্ষাৰ অনিয়মৰ সন্দৰ্ভত তেওঁ ৰাষ্ট্ৰীয় পৰিক্ষণ সংস্থাক বিলুপ্তিকৰণৰ দাবী জনায় আৰু সংস্থাটোৰ সকলো বিষয়াৰ বিৰুদ্ধে তদন্ত কৰিব লাগে বুলিও কয়। লোকসভা নিৰ্বাচনৰ ফলাফলৰ কথা উল্লেখ কৰি ডি এম কেৰ সাংসদ তিৰুচি শিৱাই কয় যে, জনসাধাৰণে বিজেপিক এটা বাৰ্তা দিছে। তেওঁ দাবী কৰে যে, জনসাধাৰণৰ বিজেপিৰ ওপৰত আস্থা হেৰাইছে। চি পি আইৰ নেতা বিনয় বিশ্বমেও নীট পৰীক্ষাৰ অনিয়মৰ বিষয়টো উত্থাপন কৰে।

ইয়াৰ পূৰ্বে দুয়োখন সদনতে বাৰবাডোছত অনুষ্ঠিত হোৱা টি-২০ বিশ্বকাপত জয়ী হোৱাৰ বাবে ভাৰতীয় পুৰুষ ক্ৰিকেট দলটোক অভিনন্দন জনায়। উল্লেখযোগ্য যে বিজেপিৰ সাংসদ দিলীপ শইকীয়াই আজি কিছু সময়ৰ বাবে লোকসভাৰ প্ৰিজাইডিং বিষয়াৰ দায়িত্ব গ্ৰহণ কৰে।

০০০০০০

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে নতুন দিল্লীত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুক সৌজন্যমূলক সাক্ষাৎ কৰে। কেন্দ্ৰীয় বন্দৰ, জাহাজ, পৰিবহন আৰু জলপথ মন্ত্ৰী হিচাপে পুনৰ দায়িত্বভাৰ গ্ৰহণ কৰাৰ পাছত শ্ৰী সোণোৱালে আনুষ্ঠানিকভাৱে ৰাষ্ট্ৰপতিগৰাকীক সাক্ষাৎ কৰি বিভিন্ন দিহা-পৰামৰ্শ গ্ৰহণ কৰে।

০০০০০০

সমগ্ৰ দেশজুৰি আজিৰ পৰা তিনিখন নতুন ফৌজদাৰী আইন ক্ৰমে ভাৰতীয় ন্যায় সংহিতা, ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা আৰু ভাৰতীয় সাক্ষ্য অধিনিয়ম বলবৎ হৈছে। কেন্দ্ৰীয় চৰকাৰে এই পৰিপ্ৰেক্ষিতত ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ সৈতে নিয়মীয়াকৈ বৈঠক অনুষ্ঠিত কৰিছে আৰু সকলোৰে এই নতুন ফৌজদাৰী আইন কেইখন ৰূপায়ন কৰাৰ ক্ষেত্ৰত প্ৰযুক্তি, দক্ষতা নিৰ্মাণ তথা সজাগতা বৃদ্ধি কৰাৰ বাবে সম্পূৰ্ণৰূপে সাজু হৈছে। নতুন আইন কেইখন ৰূপায়ন কৰাৰ বাবে আৰক্ষী আৰু অনুসন্ধান প্ৰাধিকৰণক সকলো ধৰণৰ প্ৰশিক্ষণ প্ৰদান কৰা হৈছে। আকাশবাণী আৰু দূৰদৰ্শনৰ বাতৰি, অনুষ্ঠান, আলোচনা তথা সামাজিক মাধ্যমৰ জৰিয়তে এই সন্দৰ্ভত বিশদ বিশ্লেষণ কৰা হৈছে। তদুপৰি জনসাধাৰণক এই বিষয়ে অৱগত কৰাৰ উদ্দেশ্যে বিভিন্ন ধৰণৰ আলোচনা, তথ্য সমৃদ্ধ ৱেব চাইট, মন্ত্ৰী পৰ্যায়ৰ ৱেবিনাৰ আদিৰ আয়োজন কৰা হৈছে। ইয়াৰ লগতে বিদ্যালয় আৰু উচ্চ শিক্ষা প্ৰতিষ্ঠানসমূহৰ পাঠ্যক্ৰমত এই বিষয়সমূহ অন্তৰ্ভুক্ত কৰাৰ বাবেও প্ৰয়াস কৰা হৈছে।

নতুন ফৌজদাৰী আইন কেইখনে প্ৰযুক্তিৰ ওপৰত অধিক গুৰুত্ব দিয়াৰ প্ৰতি লক্ষ্য ৰাখি ৰাষ্ট্ৰীয় অপৰাধ সংগ্ৰহ ব্যুৰ'ৰে বৰ্তমান কাৰ্যক্ষম হৈ থকা ক্ৰাইম এণ্ড ক্ৰিমিনেল ট্ৰেকিং নেটৱৰ্কছ এণ্ড চিষ্টেমছ চমুকৈ চিচিটিএনএছ এপ্লিকেচনত ২৩টা সংশোধন কৰিব।

০০০০০

আকাশবাণী গুৱাহাটীৰ আজি ৭৭ সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰতিষ্ঠানটোৰ সৈতে জড়িত লোকসকলৰ লগতে শ্ৰোতাৰ প্ৰতিও শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমত প্ৰকাশ কৰা এটা বাৰ্তাত তেওঁ কয় যে ৰেডিঅ'ৰ প্ৰতি মানুহৰ আবেগ তাহানিতে যেনে আছিল, আজিও একেই আছে। প্ৰতিষ্ঠানটোৰ জন্মলগ্নৰ সৈতে জড়িত লোকসকলকো মুখ্যমন্ত্ৰীয়ে শ্ৰদ্ধাৰে স্মৰণ কৰে।

আকাশবাণী গুৱাহাটীৰ ৭৭ সংখ্যক প্ৰতিষ্ঠা দিৱস আৰু আঞ্চলিক বাতৰি বিভাগৰ ৬৮-সংখ্যক প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি গুৱাহাটীৰ মাছখোৱাৰ প্ৰাগজ্যোতি সাংস্কৃতিক প্ৰকল্পত আজি বিভিন্ন কাৰ্যসূচীৰ লগতে **উত্তৰ পূৰ্বাঞ্চলৰ বিকাশ গাথা** শীৰ্ষক এখন আলোচনাচক্ৰ অনুষ্ঠিত হৈছে। আলোচনাচক্ৰ উদ্বোধন কৰি আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ অতিৰিক্ত সঞ্চালক প্ৰধান আশীষ ভাটনাগৰে কয় যে আকাশবাণী জনগণৰ কণ্ঠ হৈ আছে। বিগত সময়ৰ দৰেই আকাশবাণীয়ে নিজৰ গৰিমা অক্ষুণ্ণ ৰাখিছে। আলোচনাচক্ৰত নেডফিৰ কাৰ্যবাহী সঞ্চালক এছ কে বৰুৱা, লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰাষ্ট্ৰীয় বিমান বন্দৰৰ পৰিবেশ আৰু বহনক্ষম শাখাৰ মুৰব্বী সিদ্ধাৰ্থ ফুকন, ভাৰতীয় আৰক্ষী সেৱাৰ অৱসৰপ্ৰাপ্ত বিষয়া তথা আৰক্ষীৰ অসামৰিক প্ৰতিৰক্ষা আৰু গৃহৰক্ষী বিভাগৰ সঞ্চালক প্ৰধান প্ৰদীপ কুমাৰ আৰু গুৱাহাটী এইমছৰ কাৰ্যবাহী সঞ্চালক ডাঃ অশোক পুৰাণিকে অংশগ্ৰহণ কৰা এই অনুষ্ঠানৰ আঁত ধৰিছে গুৱাহাটীৰ পি আই বিৰ অতিৰিক্ত সঞ্চালকপ্ৰধান জেনে নামছুয়ে। ইয়াৰ পাছতে প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি অন্তৰংগ আলাপ অনুষ্ঠিত কৰা হ'ব। সন্ধিয়া সুৰৰ শৰাই শীৰ্ষক অনুষ্ঠানত বিদ্যুৎ কুমাৰ মিশ্ৰই বেহেলা বাদনৰ লগতে মিৰাণ্ডা চৌধুৰী, পুলক বেনাৰ্জী

আৰু ডলী ঘোষ সাধ্যই সংগীত পৰিবেশন কৰিব। এই অনুষ্ঠানতে আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে আয়োজন কৰা বাতৰি পঢ়া প্ৰতিযোগিতাৰ বিজয়ীসকলৰ নাম ঘোষণা কৰাৰ লগতে পুৰস্কৃত কৰা হ'ব।

ইফালে, প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ চৌহদত আজি আকাশীস্পন্দন শীৰ্ষক প্ৰাচীৰ পত্ৰিকাখনৰ নৱম সংখ্যাটি উন্মোচন কৰা হয়। বিশিষ্ট কণ্ঠশিল্পী পাহাৰী দাসে পত্ৰিকা উন্মোচন কৰা অনুষ্ঠানটিত লেখক, অধ্যাপক কিশোৰ মোহন ভট্টাচাৰ্য, ৰাষ্ট্ৰীয় পুৰস্কাৰপ্ৰাপ্ত শিল্পী মণি বৰদলৈৰ লগতে কেন্দ্ৰটোৰ বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে।

oooooooo

ৰাজ্য চৰকাৰৰ কেবিনেট বৈঠকৰ সিদ্ধান্ত অনুসৰি গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী অশোক সিংহল আৰু বিত্তমন্ত্ৰী অজন্তা নেওগক লৈ গঠিত কেবিনেট সমিতিয়ে আজি তেজপুৰ অভিবৰ্তন কেন্দ্ৰত সামগ্ৰী আৰু সেৱাকৰ বিষয়ত মধ্য অসমৰ কেইবাখনো জিলাৰ বাণিজ্য আৰু ব্যৱসায়িক সংস্থাসমূহৰ সৈতে বাৰ্তালাপত অংশগ্ৰহণ কৰে। ৰাজ্যৰ কেইবাটাও স্থানত অনুষ্ঠিত হ'বলগীয়া আঞ্চলিক পৰামৰ্শমূলক আলোচনাৰ এইখন তৃতীয়খন বৈঠক। অনুষ্ঠানত বাণিজ্য সংস্থাসমূহৰ প্ৰতিনিধিসকলে জি এছ টিৰ অধীনত প্ৰদান কৰা জাননী সন্দৰ্ভত তেওঁলোকে সন্মুখীন হোৱা বিভিন্ন অসুবিধাৰ কথা মন্ত্ৰীদ্বয়ক অৱগত কৰাৰ লগতে কৰ পৰিশোধ ব্যৱস্থাৰ সৰলীকৰণ কৰাকে ধৰি বিভিন্নধৰণৰ পৰামৰ্শ প্ৰদান কৰে। নিজৰ ব্যক্তব্যত মন্ত্ৰী সিংহলে কয় যে কৰদাতাসকলৰ স্বাৰ্থ, সুৰক্ষা, বৰ্তমানৰ চৰকাৰখনৰ বাবে সদায়ে অগ্ৰাধিকাৰৰ বিষয়। ৰাজ্য চৰকাৰে সদায়ে ব্যৱসায়ীসকলৰ লগত আছে বুলি মন্তব্য কৰি তেওঁ কয় যে ব্যৱসায়ীসকলে বিভিন্ন ক্ষেত্ৰত সন্মুখীন হোৱা অসুবিধাসমূহ কাৰ্যকৰীভাৱে দূৰ কৰাৰ বাবে চৰকাৰ বদ্ধপৰিকৰ। ৰাজ্যৰ ব্যৱসায়ীসকলৰ লাভালাভৰ বিষয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত জি এছ টি প্ৰৱৰ্তন কৰা হৈছিল। অসমক দেশৰ শীৰ্ষ পাঁচখন ৰাজ্যৰ এখন হিচাপে গঢ় দিবলৈ হ'লে ব্যৱসায়ীসকলক লগত লৈ আগবাঢ়িব লাগিব বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মন্তব্য কৰে। জি এছ টিৰ অধীনত প্ৰদান কৰা জাননী সন্দৰ্ভত ব্যৱসায়ীসকলৰ আশংকা দূৰ কৰিবলৈ তিনিচুকীয়া, শিৱসাগৰ, যোৰহাট আৰু শিলচৰত পৰৱৰ্তী আলোচনা অনুষ্ঠিত কৰি এমাহৰ ভিতৰত মন্ত্ৰীদ্বয়ে প্ৰতিবেদন দাখিল কৰিব।

ooooooo

আজি চিকিৎসক দিৱস। এই উপলক্ষে ৰাজ্যৰ ভিন্ন প্ৰান্তত চিকিৎসা সজাগতা শিবিৰ, আলোচনাচক্ৰ আদি অনুষ্ঠিত হৈছে। যোৰহাট আৰক্ষী প্ৰশাসনৰ উদ্যোগতো যোৰহাট ডক্টৰ্ছ ক্লাবৰ সহযোগত আজি চিকিৎসা শিবিৰৰ আয়োজন কৰা হয়। শিবিৰত জীৱনশৈলীজনিত ৰোগ যেনে উচ্চ ৰক্তচাপ, মধুমেহ, উদ্বিগ্নতা আদিৰ প্ৰতি সজাগতা আনিবলৈ চেষ্টা চলোৱাৰ লগতে আৰক্ষীসকলৰ প্ৰাথমিক স্বাস্থ্য পৰীক্ষাও কৰা হয়। যোৰহাটৰ আৰক্ষী অধীক্ষক শ্বেতাংগ মিশ্ৰৰ লগতে আৰক্ষী প্ৰশাসনে চিকিৎসকসকলক এই দিৱস উপলক্ষে শুভকামনা জনায় আৰু তেওঁলোকৰ কৰ্মৰাজিক প্ৰশংসা কৰে।

ooooooo

পৃথিৱীখনক বহনক্ষম আৰু সুস্থ কৰি তোলাৰ মানসেৰে আজিৰেপৰা দেশজুৰি বন মহোৎসৱ সপ্তাহ অনুষ্ঠিত হৈছে। ৰাষ্ট্ৰীয় বন নীতি, ১৯৮৮-ত উল্লেখ কৰা মতে কোনো এটা ভৌগোলিক অঞ্চলৰ মুঠ মাটিকালিৰ ৩৩ শতাংশ বনাঞ্চল থকাটো অতি জৰুৰী। কিন্তু ইণ্ডিয়া ষ্টেট অব্ ফৰেষ্ট ৰিপ'ৰ্টে প্ৰকাশ কৰা তথ্য মতে অৰণ্যাঞ্চলৰ ক্ষেত্ৰত আমাৰ দেশ বিশ্বৰ ভিতৰত দশম স্থানত আছে যদিও ইয়াৰ বনাঞ্চলৰ পৰিমাণ শতকৰা মাত্ৰ ২৪ দশমিক ৪ শতাংশহে। সেয়েহে এই দিৱসৰ তাৎপৰ্য অতি মহত্বপূৰ্ণ। দেশৰ সেউজ আৱৰণ সঠিক মাত্ৰাত ৰখাৰ উদ্দেশ্যে প্ৰতিবছৰে চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠানসমূহৰ উদ্যোগত বন সপ্তাহৰ আয়োজন কৰি অহা হৈছে। এই দিৱসৰ লগত সংগতি ৰাখি অগ্ৰণী পৰিৱেশ সংৰক্ষণ সংস্থা প্ৰকৃতিপ্ৰেমী মঞ্চ অসমেও আজিৰেপৰা সাদিনীয়াকৈ বন মহোৎসৱ সপ্তাহ অনুষ্ঠিত কৰিছে। এই দিৱসৰ

আজি প্ৰথমটো দিনত কলং নৈৰ খহনীয়া ৰোধৰ বাবে নৈৰ পাৰত গছপুলি ৰোপণ কাৰ্যসূচী পালন কৰা হয়। মঞ্চই মঙলবাৰৰ পৰা মৰিগাঁও জিলাৰ বিভিন্ন স্থানত গছপুলি ৰোপণৰ লগতে এলানি সজাগতা সভাও অনুষ্ঠিত কৰিব।

০০০০০০০

চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত অনুষ্ঠিত টেষ্ট মেচত ভাৰতৰ মহিলা ক্ৰিকেট দলটোৱে দক্ষিণ আফ্ৰিকাক ১০ উইকেটত পৰাস্ত কৰে। প্ৰথম ইনিংছত ভাৰতে চমকপ্ৰদ বেটিঙেৰে ৬টা উইকেটৰ বিনিময়ত ৬০৩ ৰান কৰি ইনিংছ ঘোষণা কৰিছিল। ভাৰতৰ হৈ প্ৰথম ইনিংছত শেফালী বাৰ্মাই প্ৰথমবাৰৰ বাবে দ্বিশতক আৰু স্মৃতি মান্ধানাই শতক অৰ্জন কৰে। প্ৰত্যুত্তৰত দক্ষিণ আফ্ৰিকাৰ মহিলা ক্ৰিকেট দলটো প্ৰথম ইনিংছত আটাইকেইটা উইকেট হেৰুৱাই ২৬৬ ৰানহে সংগ্ৰহ কৰে আৰু ফ'ল' অন কৰি দ্বিতীয় ইনিংছ আৰম্ভ কৰে। প্ৰথম ইনিংছত ভাৰতৰ বলাৰ স্নেহ ৰানাই ৮টা উইকেট দখল কৰে। দ্বিতীয় ইনিংছত আলহী দলটোৱে ল'ৰা উলভাৰ্ড আৰু ছুনে লুছেৰ শতকৰ সহায়ত আটাইকেইটা উইকেট হেৰুৱাই ৩৭৩ ৰান সংগ্ৰহ কৰে আৰু ৩৬ ৰানৰ অগ্ৰগতি লাভ কৰে। ভাৰতীয় মহিলা ক্ৰিকেট দলটোৱে অতি সহজে ৩৭ ৰানৰ লক্ষ্যত উপনীত হয় আৰু টেষ্ট মেচখন চাৰি দিনতে সমাপ্ত হয়।

ইয়াৰ পাছতে দল দুটিয়ে ৫ জুলাইৰ পৰা চেন্নাইত হ'বলগীয়া টি-২০ আন্তঃৰাষ্ট্ৰীয় শৃংখলাত অংশগ্ৰহণ কৰিব। ইয়াৰ পূৰ্বে ভাৰতে দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে বেংগালুৰুত অনুষ্ঠিত এদিনীয়া শৃংখলাত ৩-০ ব্যৱধানত জয়লাভ কৰিছিল।

০০০০০০০০০

**সমাপ্ত**